১৩) Vatsyayan, K. (2005). *Traditional Indian Theatre: Multiple Stream.* New Delhi: NBT.



১৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ওজাপালি অনুষ্ঠানৰ পাঠ তথা বিষয়বস্তুৰ আধাৰত সামগ্রিকভাৱে দুটা ভাগত, তথা— (ক) মহাকাব্য আশ্রয়ী ওজাপালি আৰু (খ) মহাকাব্য অনাশ্রয়ী ওজাপালি বুলি বিভাজন কৰিব পাৰি।

২ নং প্রশ্নৰ উত্তৰ ঃ ওজা আৰু ডাইনা পালিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ 'ওড্র-মাগধী' প্রবৃত্তিৰ সৈতে।

৪ নং প্রশ্নৰ উত্তৰ ঃ কুশান-গানৰ শেষৰ অভিনয় অংশ "নাচ, গান, সংলাপ, বাদ্য, হাস্যকৌতুক আৰু সামৰণি-প্রার্থনা"ৰ সমষ্টি।

৫ নং প্রশ্নৰ উত্তৰ ঃ ঢুলীয়া ভাওনাত আঁৰিয়া ধৰাজনে এক বিশেষ ভূমিকা পালন কৰে। তেওঁ হাতত আঁৰিয়া ধৰি তাল-খোল-ঢোল আদিৰ সময়লৰ লগত সংগতি ৰাখি গোৱা গীত-পদ আবৃত্তি কৰি, বিভিন্ন নৃত্য ভংগীমাৰে সকলো শিল্পীকে ৰঙাখলাত প্রৱেশ কৰোৱায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ঢুলীয়া পৰিৱেশনত সম্পূর্ণাংগ নাট-অভিনয়ৰ পূর্বে এক ধৰণৰ নৃত্য-নাতিকা প্রদর্শন কৰিবলৈ লোৱা হৈছে, ইয়াকে 'কাটিং' বুলি কোৱা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ খুলীয়া ভাওনাৰ কাহিনীসমূহ চয়ন কৰা হয় মূলতঃ *ৰামায়ণ, মহাভাৰত* আৰু ৰাম সৰস্বতী কৃত বধ কাব্যসমূহৰ পৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ খুলীয়া ভাওনাত সহ-অভিনয়ৰ প্রচলন নাই।



১৫.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) ওজাপালি অসমৰ মার্গীয় শৈলীৰ নৃত্য পৰম্পৰাৰ অন্তর্ভুক্ত হয়নে?

খ) ঢুলীয়া ভাওনাৰ চঙত কি উপস্থাপন কৰা হয়?

খ) খুলীয়া ভাওনা অংকীয়া ভাওনাৰ পৰা উদ্ভৱ হৈছেনে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঢুলীয়া ভাওনাৰ পৰিৱেশনৰ সংযুতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অসমত প্ৰচলিত বিবিধ ওজাপালি শৈলীক অনুষংগ অনুসৰি কেনেদৰে শ্ৰেণী বিভাজন কৰি আলোচনা কৰিব পাৰি চমুকৈ লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ওজাপালি কাক বোলে? ওজাপালি সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কুশান-গান সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ ঢুলীয়া ভাওনা কাক বোলে? এই লোকনাট্যবিধৰ বিষয়ে আলোচনা আগ বঢ়াওক।

প্ৰশ্ন ৪ ঃ খুলীয়া ভাওনা পৰিৱেশন সম্পৰ্কে আলোচনা কৰক।

*** ***** ***